**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 18-07**-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
**----------------------------**

ৰাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তি প্ৰক্ৰিয়াৰ অংশ হিচাপে আজি উচ্চতৰ কাৰিকৰী শিক্ষা বিভাগত ৩৪২ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাল প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থাকে। ইয়াৰ ভিতৰত কাৰিকৰী প্ৰতিষ্ঠানৰ প্ৰৱক্তা পদত ২৩৬ গৰাকী, অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু কাৰিকৰী প্ৰতিষ্ঠানৰ জ্যেষ্ঠ প্ৰশিক্ষক পদত ৮৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হয়। ইয়াৰ লগে লগে ৰাজ্যত সৰ্বমুঠ নিযুক্তিপ্ৰাপ্ত প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ২১ হাজাৰ ১৮২ লৈ বৃদ্ধি পালে।

ইপিনে, ৰাজ্যত শীঘ্ৰেই প্ৰায় ৮ হাজাৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকক নিযুক্তি দিয়া হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। কালি ডিব্ৰুগড় জিলাৰ মৰাণৰ খোৱাং মহাবিদ্যালয়ৰ ৪৩ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশ লৈ দিয়া ভাষণত শিক্ষা মন্ত্ৰীগৰাকীয়ে এই কথা প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ বাবেও প্ৰায় ৫ হাজাৰ ৫০০ শিক্ষকৰ নথি পত্ৰ পৰীক্ষাৰ কাম চলি আছে আৰু এই প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ পাছতেই শিক্ষকসকলক নিযুক্তি দিয়া হ'ব।

০০০০০০০

ডিব্ৰুগড়-নতুন দিল্লী-ডিব্ৰুগড় ৰাজধানী এক্সপ্ৰেছ ডিফু ষ্টেচনত ৰখোৱা ব্যৱস্থাৰ কালি আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে যোৱানিশা এই ব্যৱস্থাৰ শুভাৰম্ভ কৰে। এই উপলক্ষে দিয়া ভাষণত শ্ৰী ৰংহাঙে কয়, যে ডিফু ষ্টেচনত ৰাজধানী এক্সপ্ৰেছখন ৰখোৱাৰ সুবিধা কৰাৰ লগে লগে অঞ্চলটো প্ৰত্যক্ষভাৱে দেশৰ সৈতে সংযুক্ত হ'ল। ক'ভিদৰ সংক্ৰমণৰ সময়ত এই ৰে'লখন ৰখোৱাৰ ব্যৱস্থা বন্ধ কৰি দিয়া হৈছিল। এতিয়াৰেপৰা কাৰ্বি আংলঙৰ ৰাইজৰ যথেষ্ট সুবিধা হ'ব বুলি তেওঁ উল্লেখ কৰে। কালি ডিফু ষ্টেচনত এই উপলক্ষে আয়োজিত অনুষ্ঠানত সাংসদ অমৰ সিং তিছ', কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ ৰাজু তিছ'কে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত আছিল।

০০০০০০০

ধুবুৰী জিলাৰ গৌৰীপুৰ আৰক্ষীয়ে কালি অভিযান চলাই বুজন পৰিমাণৰ মাদকদ্ৰব্য জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক আটক কৰে। গৌৰীপুৰৰ ডুমৰদহৰ ঠেংমেলা হাটত কালি বিয়লি চলোৱা অভিযানত আৰক্ষীয়ে বুজন পৰিমাণৰ ব্ৰাউন ছুগাৰৰ লগতে আঠটা ম'বাইল ফোন, দুখন মটৰ চাইকেল আৰু অন্যান্য সামগ্ৰী জব্দ কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে ধৃত সৰবৰাহকাৰী দুজনে দীৰ্ঘদিন ধৰি মাদক দ্ৰব্য সৰবৰাহ কৰি অহাৰ অভিযোগ আছে। আৰক্ষীয়ে লোক দুজনক থানালৈ নি সোধাপোছা কৰি আছে।

ইপিনে, মৰিগাঁও জিলাৰ জাগীৰোড আৰক্ষীয়ে যোৱানিশা ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত চলোৱা অভিযানত বুজন পৰিমাণ হেৰ'ইন জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে সৰবৰাহকাৰী দুজনৰ পৰা পাঁচটা চাবোনৰ বাকচত লুকুৱাই অনা ৫৯ গ্ৰাম হেৰ'ইন জব্দ কৰে। জব্দ কৰা হেৰ'ইন খিনিৰ আন্তঃৰাষ্ট্ৰীয় বজাৰ মূল্য ১২ লাখ টকা হ'ব বুলি আৰক্ষীয়ে অনুমান কৰিছে।

০০০০০০০

কৃষি যান্ত্ৰিকীকৰণ গ্ৰাম্য উৎকৰ্ষ আঁচনিৰ অধীনত আজি তেজপুৰৰ হজৰাপাৰস্থিত কাৰ্যবাহী কৃষি অভিযন্তাৰ কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত কেইবাটাও কৃষি উৎপাদক গোটক এখনকৈ ট্ৰেক্টৰ আৰু বহু কেইগৰাকী হিতাধিকাৰীক পাৱাৰ টিলাৰ বিতৰণ কৰা হয়। জিলা কাৰ্যবাহী কৃষি অভিযন্তাৰ নেতৃত্বত আয়োজিত এই কৃষি সামগ্ৰী বিতৰণ অনুষ্ঠানত তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা,  অতিৰিক্ত জিলা আয়ুক্ত আৰু উত্তৰ মণ্ডলৰ যুটীয়া কৃষি সঞ্চালক উপস্থিত থাকে। তেওঁলোকে হিতাধিকাৰী কৃষকসকলক আধুনিক কৃষি প্ৰযুক্তি ব্যৱহাৰৰ উপযোগিতা, উৎপাদন বৃদ্ধিৰ নতুন উপায় তথা চৰকাৰী আঁচনিসমূহৰ যথাযথ ব্যৱহাৰ সন্দৰ্ভত অৱগত কৰে।

০০০০০০০

ডিব্ৰুগড় আৰু বিশ্বনাথ জিলাত কালি সংঘটিত দুটা পৃথক পথ দুৰ্ঘটনাত এগৰাকী মহিলা আৰু কিশোৰীৰ মৃত্যু হোৱাৰ লগতে ৫ জন লোক গুৰুতৰভাৱে আহত হয়। ডিব্ৰুগড় জিলাৰ লাহোৱালৰ ঘোঁৰামৰা আৰক্ষী চকীৰ অন্তৰ্গত নতুন আলিত কালি সংঘটিত এটা পথ দুৰ্ঘটনাত এগৰাকী মহিলা থিতাতে মৃত্যু মুখত পৰাৰ লগতে এটি শিশু আৰু এজন লোক গুৰুতৰভাৱে আহত হয়। এখন অট' ৰিক্সাই পথৰ কাষত ৰখাই থোৱা এখন চাৰিচকীয়া বাহনত খুন্দা মৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়।

ইপিনে, বিশ্বনাথ জিলাৰ বিহালী থানাৰ অন্তৰ্গত বিহমাৰীত যোৱানিশা সংঘটিত পথ দুৰ্ঘটনাত এগৰাকী কিশোৰীৰ মৃত্যু হোৱাৰ লগতে আন তিনিগৰাকী গুৰুতৰভাৱে আহত হয়। আমাৰ সংবাদদাতাই জনোৱা মতে চুবুৰীয়া ৰাজ্য অৰুণাচলৰ পৰা অনা কেঁচা চাহপাত ফেক্টৰীত দি উভতি যোৱাৰ সময়তে এখন তীব্ৰবেগী বাহনে চাৰিজন লোকক মহতিয়াই নিয়ে। ইয়াৰ ফলত বিনিতা ভাণ্ডাৰী নামৰ কিশোৰীগৰাকীৰ থিতাতে মৃত্যু হয়।

০০০০০০০

বাংলাদেশৰ গোপালগঞ্জত বাহাল থকা সান্ধ্য আইনৰ সময়সীমা বৃদ্ধি কৰা হৈছে। আমাৰ ঢাকাৰ সংবাদদাতাই জনোৱা মতে দেশখনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাৰ গৃহ জিলা গোপালগঞ্জত যোৱা বুধবাৰে নেচনেল ছিটিজেন পাৰ্টীৰ এটা ৰেলীৰ সময়ত আৰক্ষী আৰু আৱামী লীগৰ কৰ্মকৰ্তাসকলৰ মাজত হোৱা সংঘৰ্ষত কমেও ৪ জন লোকৰ মৃত্যু হোৱাৰ লগত ৫০ জনৰো অধিক লোক আহত হয়। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত জিলাখনত সান্ধ্য আইন ঘোষণা কৰা হয়। আজি দিনৰ ১১ বজাৰ পৰা ২ বজালৈ তিনি ঘণ্টাৰ বিৰতিৰ পাছত পৰৱৰ্তী নিৰ্দেশ নহা পৰ্যন্ত সান্ধ্য আইন বাহাল থাকিব।

০০০০০০০

**সমাপ্ত**